# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১২৪/২০২০**

## বিশিষ্ট কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ পংকজ বৰদলৈৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২০ মাৰ্চ ঃ** বিশিষ্ট কণ্ঠশিল্পী, গীতিকাৰ, সুৰকাৰ পংকজ বৰদলৈৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰদলৈয়ে অসমৰ সংগীত জগতলৈ যি বলিষ্ঠ অৱিহণা আগবঢ়াই গৈছে সেয়া ৰাজ্যখনৰ জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। প্ৰয়াত পংকজ বৰদলৈয়ে জ্যোতি সংগীত, ৰাভা সংগীতক নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱিহণা আগবঢ়াই গৈছে। এগৰাকী অভিনেতা হিচাপেও তেখেতে অসমৰ চলচ্চিত্ৰ জগতখনত যথেষ্ট অৱদান আগবঢ়াই গৈছে। অসম আন্দোলনৰ সময়তো এইগৰাকী শিল্পীয়ে সাংস্কৃতিক ভাৱনাৰে জনগণক উদ্বুদ্ধ কৰি তুলিছিল। তেখেতৰ মৃত্যু ৰাজ্যখনৰ সাংস্কৃতিক জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত পংকজ বৰদলৈৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বঃভাঃ**
**২০/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in